

পাঠ ৭

J4L2V7

# ৰাতিপুৱা



ৰাতিপুৱা হ'ল উঠা সোণফেৰি
উঠা গিৰিসাই ঢাৰি-পাটী এৰি।
নুশুবা, নুশুবা উঠা ঘপৰাই
এতেপৰ কেও শুই থকা নাই।
ৰীণা, বীণা, মীনা উঠিল আটাই
এলাহতে কেও শুই থকা নাই।
সকলোৰে চোৱা পুথি মেলি লই
শিকে নিজ পঢ়া মন থিৰ কই।
আৰু চোৱা সৌ পূব আকাশত
ৰঙা বেলি উঠে কেনে উলাহত।
চৰাইবিলাকে গছে গছে পৰি
বিধে বিধে গায় নানা ছেও ধৰি।
গছে গছে ফুল কতনো ফুলিছে
গোন্ধ লই জুৰ বতাহ বলিছে।
চোৱা আৰু সউ উঠিল মহিম
উঠিল কমল উঠিল কৰিম।
বনত বলিয়া মউমাখিবোৰে
ফুলে ফুলে মউ পান কৰি ফুৰে।
এতেকতে তুমি উঠা লৰা লৰি
পানী লই ধোৱা হাত মুখ ভৰি।
কিছুপৰ ফুৰি পুথি মেলি লই
শিকা নিজ পাঠ মন থিৰ কই।



**কবি- মহম্মদ চোলেইমান খাঁ**

*(উৎস — মৰুৱা ফুল, পৃষ্ঠা—৭৭, প্ৰকাশক —অসম প্ৰকাশন পৰিষদ)*

**ক্রিয়া-কলাপ**

## ক — পাঠভিত্তিক ক্ৰিয়া



**পদ্যটো স্পষ্ট আৰু শুদ্ধ উচ্চাৰণেৰে পঢ়োঁ আহা**

**পদ্যটো আবৃত্তি কৰোঁ আহা**

**উত্তৰ দিয়া।**

(ক) পদ্যটোত সোণফেৰিক কি কৰিবলৈ কোৱা হৈছে?

(খ) ৰীণা, মীনা, বীণা সকলোৱে শুই উঠি কি কৰিছে?

(গ) পুৱাৰ বেলি ওলোৱা দিশটো কি?

(ঘ) পুৱাৰ লগে লগে ডালে ডালে কোনে গীত গায়?

(ঙ) ফুলে ফুলে উৰি মৌ-মাখিয়ে কি কৰে?

(চ) কবিয়ে মন থিৰ কৰি কি কৰিবলৈ কৈছে?

**পদ্যটোত উল্লেখ কৰাৰ দৰে পুৱাৰ লগে লগে কি কি হয়?**

উদাহৰণ— ঢাৰি-পাটী এৰি সকলোৱে উঠে গিৰিসাই ।

(ক) পূব আকাশত ——————————————

(খ) গছে গছে চৰায়ে ——————————————

(গ) মৌ-মাখিবোৰে ফুলে ফুলে ——————————————

(ঘ) পুথি মেলি লই ——————————————


(ঙ) গছে গছে ফুল ——————————————

**জানো আহা**

ঢাৰি-পাটী শব্দটোৱে পদ্যটোত বিছনাৰ কথাটোহে বুজাইছে। এই ঢাৰি-পাটী পুৱা সকলো মানুহে একে সময়তে একেলগে নেৰে। দোকমোকালিতে ঢাৰি-পাটী এৰাটো স্বাস্থ্যৰ পক্ষে উপকাৰী।

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

ছবিখন চাই কি কি দেখিছা কোৱা আৰু লিখা।



☞ লক্ষ্য কৰিব যাতে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

 বাঁওফালৰ শব্দবোৰৰ অৰ্থ সোঁফালৰ শব্দৰ লগত মিলাই লিখা।

| শব্দ | অৰ্থ |
|---|---|
| গিৰিসাই | অলপ সময় |
| ঘপৰাই | আনন্দত |
| এতেপৰ | গীতৰ লগত মিলাই নাচৰ ভংগি ধৰি, অংগ-ভংগি কৰি |
| উলাহত | ততালিকে, বেগেতে, ঘপ্‌কৰে |
| কিছুপৰ | বেগাই, শীঘ্ৰে, গিৰিস্‌কৰে |
| ছেও ধৰি | ইমান সময়ে, অত পৰে |

## খ— ভাষা অধ্যয়ন(ব্যাৱহাৰিক ব্যাকৰণ)

 পদ্যটোৰ পৰা একবচন আৰু বহুবচন বুজোৱা শব্দবোৰ লিখা।

উদাহৰণ— <u>একবচন</u> তুমি, ............ ............ ............

<u>বহুবচন</u> চৰাইবিলাক, ............ ............ ............

  পঢ়োঁ আহা

| | | |
|---|---|---|
| দ্ম — পদ্ম | ছদ্ম | পদ্মাৱতী |
| ন্ম — জন্ম | জন্মাষ্টমী | জন্মান্তৰ |
| ক্ম — ৰুক্ম | ৰুক্মিণী | ৰুক্মিণীহৰণ |
| ত্ম — আত্মা | মহাত্মা | পৰমাত্মা |
| গ্ম — বাগ্মী | যুগ্ম | অযুগ্ম |
| ল্ম — গুল্ম | কল্মৌ | বাল্মীকি |




☞ *একবচন, বহুবচন লিখাত ছাত্ৰ-ছাত্ৰীক সহায় কৰিব।*



☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

বাল্মীকিয়ে ৰামায়ণ ৰচনা কৰিছিল। মহাত্মা গান্ধীয়ে স্বাধীনতা আন্দোলনৰ নেতৃত্ব দিছিল। পদ্মাৱতী এজনী ধুনীয়া ছোৱালী। তাই অষ্টম শ্ৰেণীত পঢ়ে। ৰুক্মিণীৰ ককায়েক ৰুক্ম এজন বীৰ আছিল।





**উদাহৰণটো পঢ়া আৰু বুজি লৈ একোটা খণ্ড বাক্য লিখা।**

উদাহৰণ— প্ৰতিজোপা গছতে............ গছে গছে।

(ক) প্ৰতিটো ডালতে ______

(খ) প্ৰতিটো দিনতে ______

(গ) প্ৰতিটো ঘৰতে ______

(ঘ) প্ৰতিটো পাততে ______

(ঙ) প্ৰতিটো মাহতে ______

(চ) প্ৰতিটো বছৰতে ______



**উদাহৰণটো ভালদৰে চোৱা। এতিয়া ফুলৰ পৰা শব্দ লৈ নতুন শব্দ গঠন কৰা।**

উদাহৰণ — ঢাৰি-পাটী

(ক) কিতাপ

(খ) কাম

(গ) হিচাপ

(ঘ) বজাৰ

(ঙ) ঘৰ




☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## জানো আহা

| | |
|---|---|
| সকলোৱে চোৱা | পুথি মেলি লই |
| শিকে নিজ পঢ়া | মন থিৰ কই। |

পদ্যটোৰ বাক্যকেইটাত **লই** আৰু **কই** লিখা হৈছে যদিও আচলতে এই শব্দ দুটা লৈ আৰু কৈ বুলি লিখা হয়। পদ্যত ছন্দ মিলাবলৈহে এই শব্দ দুটা এনেধৰণে ব্যৱহাৰ হৈছে।

## তলৰ শব্দবোৰ তেনেদৰে লিখোঁ আহা—

| | | | |
|---|---|---|---|
| মউ | মৌ | সউ | |
| গই | | ঢউ | |
| মুখলই | | কেনেকই | |

## বাক্য ৰচনা কৰা।

পুথি ....................................................................................................................................


মন থিৰ ....................................................................................................................................

ৰঙা বেলি ....................................................................................................................................

## তোমালোকে ইতিমধ্যে আগৰ পাঠত বিশেষণ পদৰ বিষয়ে শিকি আহিছা। এতিয়া এই পাঠটোত থকা বিশেষণ পদবোৰ বাছি উলিয়াই লিখা।

.................... .................... .................... ....................

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*



নোহোৱা অৰ্থ প্ৰকাশ কৰা তলৰ বাক্যবোৰ হোৱা অৰ্থত সজাই লিখা।

উদাহৰণ— পুৱা ৰঙা বেলি নোলায়।
পুৱা ৰঙা বেলি ওলায়।

(ক) চৰাইবোৰে বিধে বিধে গান নাগায়।।

(গ) ল'ৰা-ছোৱালীয়ে মন থিৰকৈ নিজৰ পাঠ নিশিকে।

(খ) ফুলে ফুলে মৌ-মাখিয়ে মৌ পান নকৰে।

## গ—জ্ঞান সম্প্ৰসাৰণ

তোমালোকে বেলি ওলোৱা আৰু বেলি মাৰ যোৱা সময়খিনি ভালদৰে পৰ্যবেক্ষণ কৰি কি কি দেখিলা লিখা।

আজৰি পৰত সমনীয়াৰ লগত খেলা-ধূলা কৰাৰ উপৰি পৰিয়ালৰ লোকক কি কি কামত সহায় কৰা সেই বিষয়ে লিখা।

পুৱা তোমাৰ পৰিয়াল বা ওচৰ চুবুৰীয়াসকল কি কি কামত ব্যস্ত হয় লিখা।

সোনকালে ঢাৰি-পাটী এৰি কামত ব্যস্ত হোৱাসকলৰ এখন তালিকা প্ৰস্তুত কৰা।

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*



## ঘ — প্ৰকল্প

- পুৱা শুই উঠাৰ পৰা ৰাতি শোৱালৈকে সময় অনুসৰি তুমি কি কি কাম কৰা সেই বিষয়ে লিখা আৰু পুৱাৰ দৃশ্য এটা আঁকা।

- পঢ়ায় পঢ়ে ৰোৱে পাণ,
  এই তিনিয়ে নিচিন্তে আন।

  এনে ধৰণৰ ফকৰা যোজনা, প্ৰবচন আদি সংগ্ৰহ কৰি সহপাঠীৰ লগত আলোচনা কৰা। আৱশ্যকবোধে জ্যেষ্ঠজনৰ সহায় লোৱা।



**তলৰ তালিকাখন শিক্ষকৰ সহায়ত পূৰ কৰা।**

| দিনত ওলোৱা চৰাই আৰু দিনত ফুলা ফুল | | ৰাতি ওলোৱা চৰাই আৰু ৰাতি ফুলা ফুল | |
|---|---|---|---|
| চৰাই | ফুল | চৰাই | ফুল |
| ১। | | ১। | |
| ২। | | ২। | |
| ৩। | | ৩। | |
| ৪। | | ৪। | |
| ৫। | | ৫। | |
| ৬। | | ৬। | |

☞ *ক্ষেত্ৰ ভ্ৰমণৰ সময়ত সম্ভৱ হ'লে নৈৰ কাষত বেলি মাৰ যোৱাৰ দৃশ্য উপভোগ কৰাব।*

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*